No. of Printed Pages—2 **79 (SS)**

[22 HKPD3MO-23F]

M.A 3rd Semester (Old) Exam. 2022 (W)

ASSAMESE

[MAS-09]

(সাহিত্য সমালোচনা)

Full Marks : 80

Time : 3 hours

The figures in the right-hand margin indicate marks.

1. তলৰ যিকোনো *পাঁচটা* প্ৰশ্নৰ উত্তৰ লিখক (প্ৰতিটো প্ৰায় ৫০ শব্দৰ ভিতৰত) ঃ $2 \times 5 = 10$

(*a*) 'নাট্যশাস্ত্ৰ'ত ভৰতমুনিয়ে ৰসনিষ্পত্তি সম্পৰ্কে কি বক্তব্য আগবঢ়াইছে চমুকৈ লিখক ।

(*b*) আনন্দবৰ্ধনৰ 'ধ্বন্যালোক'ত কেইবিধ ধ্বনিৰ কথা উল্লেখ কৰা হৈছে লিখক ।

(*c*) ছনেটৰ মূল বৈশিষ্ট্যসমূহ উল্লেখ কৰক ।

(*d*) 'মেলোড্ৰামা' বুলিলে কি বুজে চমুকৈ লিখক ।

(*e*) আধুনিক উপন্যাসৰ যিকোনো দুটা বৈশিষ্ট্যৰ ব্যাখ্যা আগবঢ়াওক ।

(*f*) চুটি গল্পৰ চৰিত্ৰৰ বিশ্বাসযোগ্যতা বুলিলে কি বুজে ?

2. তলৰ যিকোনো *তিনিটা* প্ৰশ্নৰ উত্তৰ লিখক (প্ৰতিটো প্ৰায় ১৫০ শব্দৰ ভিতৰত) ঃ $4 \times 3 = 12$

(*a*) বক্ৰোক্তিৰ প্ৰকাৰভেদ সম্পৰ্কে এটি আলোচনা যুগুত কৰক ।

(*b*) এৰিষ্টটলৰ সংজ্ঞাৰ আধাৰত ট্ৰেজেডীৰ মূল বৈশিষ্ট্যসমূহ আলোচনা কৰক ।

(*c*) উপন্যাসৰ টাইপ চৰিত্ৰ আৰু মুক্ত চৰিত্ৰৰ মাজৰ পার্থক্য সমূহ কেনে ধৰণৰ ?

(*d*) সমালোচনা বুলিলে কি বুজে ? সমালোচকৰ বাবে মূল্যমানৰ তিনিটা ৰূপ কি কি ?

3. তলৰ যিকোনো *তিনিটা* প্ৰশ্নৰ উত্তৰ লিখক (প্ৰতিটো প্ৰায় ২০০ শব্দৰ ভিতৰত) ঃ $6 \times 3 = 18$

(*a*) অভিনৱগুপ্তই কিদৰে ৰসসূত্ৰৰ ব্যাখ্যা আগবঢ়াইছে আলোচনা কৰক ।

(*b*) বস্তুধ্বনি, অলংকাৰধ্বনি আৰু ৰসধ্বনিৰ বিষয়ে এটি আলচ যুগুত কৰক ।

(*c*) মহাকাব্যক ব্যক্তিনিষ্ঠ কবিতাৰ অন্তর্ভুক্ত কৰিব পাৰিনে ? এই সম্পর্কে এক যুক্তিপূর্ণ ব্যাখ্যা আগবঢ়াওক ।

(*d*) চুটিগল্পত কাহিনীৰ গুৰুত্ব ব্যাখ্যা কৰি এটি আলোচনা প্ৰস্তুত কৰক ।

4. তলৰ যিকোনো *চাৰিটা* প্ৰশ্নৰ উত্তৰ লিখক (প্ৰতিটো প্ৰায় ৪০০ শব্দৰ ভিতৰত) ঃ
$10 \times 4 = 40$

(*a*) ৰসসূত্ৰৰ আধাৰত গঢ় লৈ উঠা যিকোনো দুটা মতবাদ সম্পর্কে আপোনাৰ নিজস্ব দৃষ্টিভংগী সমন্বিতে এটি আলোচনা আগবঢ়াওক ।

(*b*) বিষয়বস্তুৰ প্ৰাধান্যলৈ চাই কবিতাক কোন দুটা বহল বিভাগত বিভক্ত কৰিব পাৰি ? কবিতাত ব্যৱহৃত ভাষাৰ বিভিন্ন ৰূপসমূহ সম্বন্ধে এটি আলোচনা যুগুত কৰক ।

(*c*) উপন্যাসৰ প্লট সম্বন্ধে এটি বিশ্লেষণাত্মক আলোচনা দাঙি ধৰক ।

(*d*) চুটিগল্পৰ বিভিন্ন উপাদান সম্পর্কে আলোচনা কৰক ।

(*e*) নব্য সমালোচনাৰ বিভিন্ন দিশসমূহৰ ওপৰত আলোকপাত কৰি এটি প্ৰবন্ধ যুগুত কৰক ।

[22 HKPD3MO-23F]

M.A 3rd Semester (Old) Exam. 2022 (W)

ASSAMESE

[MAS-10 (Lit/Lan)]

(অসমীয়া ভক্তি সাহিত্য /ভাষা বিজ্ঞানৰ সাধাৰণ পৰিচয়)

Full Marks : 80

Time : 3 hours

The figures in the right-hand margin indicate marks.

80 (ASB3)

[MAS-10 (Lit/Lan)]

(অসমীয়া ভক্তি সাহিত্য)

1. তলৰ যিকোনো *পাঁচটা* প্ৰশ্নৰ উত্তৰ লিখক (প্ৰতিটো প্ৰায় ৫০টা শব্দৰ ভিতৰত) ঃ $2 \times 5 = 10$

(a) ভক্তি সাহিত্যৰ বাবে প্ৰয়োজনীয় উপাদান কি কি ?

(b) 'আলৱৰ' মানে কি ?

(c) 'ৰত্নাকৰ' শব্দটোৰ অৰ্থ কি ?

(d) 'ভক্তি বিবেক' গ্ৰন্থখনৰ প্ৰকৰণ কেইটাৰ নাম লিখক ।

(e) মনসা কাব্য বুলিলে কি বুজে ?

(f) ৰুচিনাথ কন্দলী কোন আছিল ?

2. তলৰ যিকোনো *তিনিটা* প্ৰশ্নৰ উত্তৰ লিখক (প্ৰতিটো প্ৰায় ১৫০ শব্দৰ ভিতৰত) ঃ $4 \times 3 = 12$

(a) 'শিৱ পুৰাণ'ত পুৰাণৰ কি কি বৈশিষ্ট্য ৰক্ষিত হৈছে ? বুজাই লিখক ।

(*b*) অসমীয়া ভক্তি পন্থাৰ অন্তর্গত দামোদৰীয়া পন্থাৰ বিষয়ে এটি আলচ যুগুত কৰক ।

(*c*) 'ভক্তি ৰত্নাকৰ'ৰ ভাষা সম্পর্কে এটি টোকা লিখক ।

(*d*) অসমীয়া ভক্তি সাহিত্যৰ 'অৱসাদৰ কাল' সম্পর্কে আলোচনা আগবঢ়াওক ।

3. তলৰ যিকোনো *তিনিটা* প্রশ্নৰ উত্তৰ লিখক (প্রতিটো প্রায় ২০০ শব্দৰ ভিতৰত) ঃ
$6 \times 3 = 18$

(*a*) চৈতন্যদেৱ সম্বন্ধে এটি টোকা লিখক ।

(*b*) শংকৰোত্তৰ কালৰ অসমীয়া ভক্তি সাহিত্যৰ ধাৰা সম্পর্কে এটি আলচ যুগুত কৰক ।

(*c*) 'শ্রী শ্রী চণ্ডী' পুথিখনৰ বিষয়বস্তু সম্পর্কে এটি প্রবন্ধ লিখক ।

(*d*) 'শ্রী শ্রী চণ্ডী' গ্রন্থখনৰ মূল বা উৎস সম্পর্কে বহলাই আলোচনা কৰক ।

4. তলৰ যিকোনো *চাৰিটা* প্রশ্নৰ উত্তৰ লিখক (প্রতিটো প্রায় ৪০০ শব্দৰ ভিতৰত) ঃ
$10 \times 4 = 40$

(*a*) 'শিৱ পুৰাণ'ৰ বিষয়বস্তু আঠোটা অধ্যায়ৰ যোগেদি কেনেদৰে প্রকাশ পাইছে বিশ্লেষণ কৰক ।

(*b*) 'ভক্তি বিবেক' গ্রন্থখনত প্রকাশিত ভক্তি দর্শন সম্পর্কে আলোচনা কৰক ।

(*c*) 'ভক্তি ৰত্নাকৰ' গ্রন্থখনত শংকৰদেৱৰ ধর্মীয় দর্শন কেনেদৰে ব্যক্ত হৈছে উদাহৰণসহ বুজাই লিখক ।

(*d*) অসমীয়া ভক্তি সাহিত্যলৈ শংকৰদেৱৰ অৱদান শীর্ষক এটি প্রবন্ধ লিখক ।

(*e*) 'ভক্তি সাহিত্যৰ আধাৰ বৈদিক সাহিত্য'– এই মন্তব্যৰ যথার্থতা বিচাৰ কৰক ।

[22 HKPD3MO-23F]

M.A 3rd Semester (Old) Exam. 2022 (W)

ASSAMESE

[MAS-11 (Lit/Lan)]

(পাশ্চাত্য সাহিত্যৰ নিৰ্বাচিত পাঠ /পালি প্ৰাকৃত–অপভ্ৰংশ ভাষা পাঠ আৰু তুলনামূলক ব্যাকৰণ)

Full Marks : 80

Time : 3 hours

The figures in the right-hand margin indicate marks.

81 (PSN3)

[MAS-11 (Lit/Lan)]

(পাশ্চাত্য সাহিত্যৰ নিৰ্বাচিত পাঠ)

1. তলৰ যিকোনো *পাঁচটা* প্ৰশ্নৰ উত্তৰ লিখক (প্ৰতিটো প্ৰায় ৫০ শব্দৰ ভিতৰত) ঃ $2 \times 5 = 10$

(*a*) জন কীট্‌চৰ কবিতাৰ যিকোনো দুটা সাধাৰণ বৈশিষ্ট্য সম্বন্ধে লিখক ।

(*b*) ভাৰতীয় দৰ্শনে টি॰ এছ॰ এলিয়টক কিদৰে প্ৰভাৱিত কৰিছিল ?

(*c*) এলিয়টৰ কবিতাত 'নিঃসংগতাবোধ' কেনেদৰে প্ৰতিভাত হৈছে লিখক ।

(*d*) বিশ্ব সাহিত্যত ফৰাচী লেখক ক্যেমুৰ স্থান কেনে ?

(*e*) বাস্তৱবাদী নাটকৰ যিকোনো দুটা লক্ষণ সম্বন্ধে চমুকৈ লিখক ।

(*f*) আৰ্নেষ্ট হেমিংৱেৰ সাহিত্যকৃতিৰ পৰিচয় দিয়ক ।

2. তলৰ যিকোনো তিনিটা প্ৰশ্নৰ উত্তৰ লিখক (প্ৰতিটো প্ৰায় ১৫০ শব্দৰ ভিতৰত) ঃ $4 \times 3 = 12$

(a) প্ৰশস্তি কবিতা বা Ode ৰ ৰচক হিচাপে ইংৰাজী ৰোমাণ্টিক সাহিত্যত কীট্‌চৰ স্থান নিৰূপণ কৰক ।

(b) ইংৰাজী সাহত্যিৰ ইতিহাসত ভিক্টৰীয় যুগৰ তাৎপর্য বিচাৰ কৰক ।

(c) 'দ্য অল্ড মেন এণ্ড দ্য চী' উপন্যাসৰ চৰিত্ৰ–চিত্ৰণৰ যিকোনো এটা দিশৰ ব্যাখ্যা আগবঢ়াওক ।

(d) বাস্তৱবাদী সমস্যাকেন্দ্ৰিক নাটকৰ বিষয়ে এটি টোকা লিখক ।

3. তলৰ যিকোনো *তিনিটা* প্ৰশ্নৰ উত্তৰ লিখক (প্ৰতিটো প্ৰায় ২০০ শব্দৰ ভিতৰত) ঃ$6 \times 3 = 18$

(a) 'টিনটার্ণ এবে' কবিতাটিৰ কাব্যিক সৌন্দর্য বিচাৰ কৰক ।

(b) অস্তিত্ববাদী উপন্যাস কি ? অস্তিত্ববাদী উপন্যাস হিচাপে 'দ্য আউটছাইডাৰ'খনৰ আলোচনা আগবঢ়াওক ।

(c) 'দ্য আউটছাইডাৰ' উপন্যাসৰ যিকোনো এটা চৰিত্ৰৰ বিশ্লেষণ আগবঢ়াওক ।

(d) 'ৱেইটিং ফৰ গ'পে' কোন শ্ৰেণীৰ নাটক ? এই শ্ৰেণীৰ নাটকৰ বৈশিষ্ট্যসমূহ উল্লেখ কৰক ।

4. তলৰ যিকোনো *চাৰিটা* প্ৰশ্নৰ উত্তৰ লিখক (প্ৰতিটো প্ৰায় ৪০০ শব্দৰ ভিতৰত) ঃ
$10 \times 4 = 40$

(a) 'টিনটার্ণ এবে' কবিতাৰ আধাৰত কবি ৱর্ডছৱর্থৰ প্ৰকৃতি প্ৰীতি সম্বন্ধে আলোচনা আগবঢ়াওক ।

(b) 'অড অন এ গ্ৰেচিয়ান আর্ণ' কবিতাটিত শিল্পবস্তুৰ জয়গান কিদৰে ঘোষিত হৈছে আলোচনা কৰক ।

(c) কবিতাত নাটকীয় একোক্তি কি ? ব্ৰাউনিঙৰ 'এ গ্ৰামাৰিয়ানচ্‌ ফিউনাৰেল' কবিতাটিক নাটকীয় একোক্তি বুলিব পাৰিনে ? যুক্তি আগবঢ়াওক ।

(*d*) 'দ্য আউটছাইডাৰ' উপন্যাসৰ কাহিনী নিৰ্মাণত এলবাৰ্ট ক্যেমুৰ জীৱন দৰ্শন কিদৰে প্ৰকাশ পাইছে আলোচনা কৰক ।

(*e*) 'পিলাৰ্ছ অফ ছচাইটি' নাটকৰ কাহিনীভাগ উল্লেখ কৰি বাস্তৱবাদী নাটকৰ আধাৰত নাটখনৰ আলোচনা আগবঢ়াওক ।

[22 HKPD3MO-23F]

M.A 3rd Semester (Old) Exam. 2022 (W)

ASSAMESE

[MAS-12 (Lit/Lan)]

(সংস্কৃত সাহিত্যৰ নিৰ্বাচিত পাঠ /ধ্বনিতত্ত্ব আৰু অসমীয়া ধ্বনিতত্ত্ব)

Full Marks : 80

Time : 3 hours

The figures in the right-hand margin indicate marks.

82 (SSN3)

[MAS-12 (Lit/Lan)]

(সংস্কৃত সাহিত্যৰ নিৰ্বাচিত পাঠ)

1. তলত দিয়া প্ৰশ্নসমূহৰ পৰা যিকোনো *পাঁচটা* প্ৰশ্নৰ উত্তৰ চমুকৈ লিখক (প্ৰতিটো ৫০ শব্দৰ ভিতৰত) ঃ $2 \times 5 = 10$

(a) ৰামায়ণৰ তৃতীয় কাণ্ডটোৰ নাম কি ? কাণ্ডটোৰ বিষয়বস্তুৰ আভাস দিয়ক ।

(b) সেতুবন্ধ মহাকাব্যখনৰ বিষয়ে এটি পৰিচয়মূলক টোকা যুগুত কৰক ।

(c) সংস্কৃত নাটকৰ উৎপত্তিৰ সৈতে জড়িত বিভিন্ন মতসমূহৰ ভিতৰত যিকোনো দুটা মত উল্লেখ কৰক ।

(d) চম্পুকাব্যৰ প্ৰধান বৈশিষ্ট্যসমূহ কি কি ?

(e) সন্দেশ কাব্য বুলিলে কি বুজে চমুকৈ লিখক ।

(f) মৃচ্ছকটিকম্‌ৰ কথাবস্তুৰ চমু আভাস দাঙি ধৰক।

2. তলৰ প্ৰশ্নসমূহৰ পৰা যিকোনো *তিনিটা* প্ৰশ্নৰ উত্তৰ লিখক (প্ৰতিটো ১৫০ শব্দৰ ভিতৰত) ঃ $4 \times 3 = 12$

(a) কুমাৰসম্ভৱম্‌ কাব্যখন কোনে ৰচনা কৰিছিল ? কাব্যখনৰ বিষয়ে চমুকৈ লিখক ।

(*b*) ৰঘুবংশীয় ৰজাসকলৰ সাধাৰণ গুণৰ পৰিচয় দিয়ক ।

(*c*) অনুসূয়া আৰু প্ৰিয়ম্বদা কোন আছিল ? দুয়োটি চৰিত্ৰৰ মহত্ব কোনখিনিত ব্যাখ্যা কৰক ।

(*d*) যশস্তিলকচম্পু নাইবা ৰামায়ণ চম্পু– যিকোনো এখনৰ বিষয়ে এটি টোকা লিখক ।

3. তলৰ যিকোনো *তিনিটা* প্ৰশ্নৰ উত্তৰ লিখক (প্ৰতিটো ২০০ শব্দৰ ভিতৰত) ঃ $6 \times 3 = 18$

(*a*) সংস্কৃত নাটকৰ ইতিহাসত ভাসৰ স্থান নিৰূপণ কৰি এটি টোকা যুগুত কৰক ।

(*b*) মহাকাব্য হিচাপে ৰঘুবংশম্‌ৰ এটি থুলমূল আলোচনা দাঙি ধৰক ।

(*c*) উপযুক্ত উদাহৰণৰ সহায়ত ভক্তিমূলক গীতিকাব্যৰ বিষয়ে চমুকৈ লিখক ।

(*d*) সংস্কৃত মহাকাব্যৰ লক্ষণসমূহৰ বিষয়ে এটি নাতিদীৰ্ঘ আলোচনা আগবঢ়াওক ।

4. তলৰ যিকোনো *চাৰিটা* প্ৰশ্নৰ উত্তৰ লিখক (প্ৰতিটো প্ৰায় ৪০০ শব্দৰ ভিতৰত) ঃ
$10 \times 4 = 40$

(*a*) সংস্কৃত নাটকৰ বিকাশৰ বিভিন্ন ধাৰা সমূহৰ বিষয়ে সামগ্ৰিক আভাস দাঙি ধৰি এটি প্ৰবন্ধ যুগুত কৰক ।

(*b*) ৰামায়ণ আৰু মহাভাৰতৰ মাজত এটি তুলনামূলক আলোচনা দাঙি ধৰক ।

(*c*) ৰঘুবংশম্‌ৰ প্ৰথম আৰু দ্বিতীয় সৰ্গৰ কাহিনীৰ আধাৰত ৰজা দিলীপৰ চৰিত্ৰৰ ভিন্ন দিশ আলোকপাত কৰি এটি আলোচনা যুগুত কৰক ।

(*d*) মহাকবি কালিদাসৰ কাব্য সম্ভাৰৰ চমু আভাস দাঙি ধৰি 'অভিজ্ঞান–শকুন্তলম্‌' নাটকত প্ৰকৃতি চিত্ৰণ কেনেদৰে হৈছে ব্যাখ্যা কৰক ।

(*e*) শূদ্ৰকৰ 'মৃচ্ছকটিকম্‌'ত চিত্ৰিত সমকালীন সমাজখনৰ বিষয়ে আলোচনা আগবঢ়াওক ।

83 (BBS3)

[MAS-10 (Lit/Lan)]

(ভাষা বিজ্ঞানৰ সাধাৰণ পৰিচয়)

1. তলৰ যিকোনো *পাঁচটা* প্ৰশ্নৰ উত্তৰ লিখক (প্ৰতিটো প্ৰায় ৫০ শব্দৰ ভিতৰত) ঃ $2 \times 5 = 10$

(*a*) ভাষা সৃষ্টিৰ বাবে কি কি পৰিস্থিতিৰ আৱশ্যক ?

(*b*) ভাষাতত্ত্বত কিহৰ অধ্যয়ন কৰা হয় ?

(*c*) 'অষ্ট্যাধ্যায়ী'ৰ পৰিচয় আগবঢ়াওক ।

(*d*) আধুনিক ব্যাকৰণ আৰু পৰম্পৰাগত ব্যাকৰণৰ মাজত থকা দুটি পাৰ্থক্য উল্লেখ কৰক ।

(*e*) অৰ্থ সংকোচন বুলিলে কি বুজে ?

(*f*) কোলামী ভাষাৰ পৰিচয় দিয়ক ।

2. তলৰ যিকোনো *তিনিটা* প্ৰশ্নৰ উত্তৰ লিখক (প্ৰতিটো প্ৰায় ১৫০ শব্দৰ ভিতৰত) ঃ$4 \times 3 = 12$

(*a*) ভাষাবিজ্ঞান অধ্যয়নৰ বিভিন্ন স্তৰসমূহ কি কি ? যিকোনো এটা স্তৰৰ বিষয়ে চমুকৈ লিখক ।

(*b*) কেন্দ্ৰীয় শাখাৰ বিষয়ে চমুকৈ লিখক ।

(*c*) ফ্ৰেনজ্ বোআছৰ চমু পৰিচয় আগবঢ়াওক ।

(*d*) ভাষাবিজ্ঞান আৰু ভাষাতত্ত্বৰ মাজত থকা কেইটামান পাৰ্থক্য উল্লেখ কৰক ।

3. তলৰ যিকোনো *তিনিটা* প্ৰশ্নৰ উত্তৰ লিখক (প্ৰতিটো প্ৰায় ২০০ শব্দৰ ভিতৰত) ঃ $6 \times 3 = 18$

(a) মনোভাষাবিজ্ঞান সম্বন্ধে এটি টোকা যুগুত কৰক ।

(b) ভূ–ভাষাবিজ্ঞান সম্পৰ্কে আলোচনা আগবঢ়াওক ।

(c) অৰ্থ পৰিবৰ্তনৰ ধাৰা সম্পৰ্কে লিখক ।

(d) আফ্ৰিকাৰ আদিম ভাষাবৰ্গৰ পৰিচয় আগবঢ়াওক ।

4. তলৰ যিকোনো *চাৰিটা* প্ৰশ্নৰ উত্তৰ লিখক (প্ৰতিটো প্ৰায় ৪০০ শব্দৰ ভিতৰত) ঃ $10 \times 4 = 40$

(a) ব্যাকৰণৰ ধাৰা সম্পৰ্কে এটি আলোচনা আগবঢ়াওক ।

(b) সমাজ ভাষাবিজ্ঞান সম্পৰ্কে এটি আলোচনা আগবঢ়াওক ।

(c) বাক্যতত্ত্ব সম্পৰ্কে এটি আলোচনা আগবঢ়াওক ।

(d) চীন–তিব্বতীয় ভাষাগোষ্ঠীৰ সম্পৰ্কে এটি আলোচনা আগবঢ়াওক ।

(e) দ্ৰাবিড় ভাষাগোষ্ঠিৰ সম্পৰ্কে এটি আলোচনা আগবঢ়াওক ।

84 (PPA3)

[MAS-11 (Lit/Lan)]

(পালি প্ৰাকৃত–অপভ্ৰংশ ভাষা পাঠ আৰু তুলনামূলক ব্যাকৰণ)

1. তলৰ যিকোনো *পাঁচটা* প্ৰশ্নৰ উত্তৰ লিখক (প্ৰতিটো প্ৰায় ৫০ শব্দৰ ভিতৰত) ঃ $2 \times 5 = 10$

(*a*) অশোকে তেওঁৰ অনুশাসনসমূহক কি বুলি অভিহিত কৰিছিল আৰু কি কাৰণত ? লিখক ।

(*b*) ধম্মপদ কাক বোলে ? ই কি কি ভাষাত ৰচিত হৈছে ? উল্লেখ কৰক ।

(*c*) 'প্ৰাকৃত' নামৰ তাৎপর্য ব্যাখ্যা কৰক ।

(*d*) তিঙ্ বিভক্তি কাক বোলে ?

(*e*) প্ৰাকৃত ভাষাত ব্যঞ্জন সন্ধি পোৱা নাযায়; ইয়াৰ কাৰণ কেইটি উল্লেখ কৰক ।

(*f*) উচ্চাৰণৰ স্থান আৰু ধৰণ অনুসৰি পালি–প্ৰাকৃতৰ ব্যঞ্জন ধ্বনিৰ তালিকাখনত থকা নাসিক্য আৰু উষ্মধ্বনি কেইটা আৰু কি কি ? ইহঁতৰ অৱস্থান সম্পর্কে উল্লেখ কৰক ।

2. তলৰ যিকোনো তিনিছোৱা অসমীয়ালৈ অনুবাদ কৰক আৰু তলত আঁচটনা শব্দকেইটাৰ সংস্কৃত ৰূপ আৰু অসমীয়া অর্থ লিখক ঃ $4 \times 3 = 12$

(*a*) 'সো তুজ্ঝ কএ সুন্দৰী তহ ছীনো সুমহিলো হলিঅউত্তো ।
জহ্ সে মচ্ছৰিণীএ ৰি দোচ্চং জাআএ পড়িবন্ন ।।'

(*b*) 'শহযে কিল যে বিনিন্দিদে
ন হু শে কম্ম বিবয্য নীঅকে
পশুমালী কলেদি দালুনং
অনুকম্পামিদুলে শোণিকে ।'

(*c*) তং জং মেহল ঠৱই গংঠি নিট্ঠুৰ সুহয় ।
তুড়িয় তাৱ থুলাৱলি নৱসৰহাৰলয় ।'

(*d*) তিহুঅন খত্তেহি কাঞি তসু কিত্তিৱালি পসচৰই ।
অক্খৰ–থম্বাৰম্ভ ঞো মঞ্চো ।'

3. তলৰ যিকোনো তিনিটা প্ৰশ্নৰ উত্তৰ লিখক (প্ৰতিটো প্ৰায় ২০০ শব্দৰ ভিতৰত) ঃ $6 \times 3 = 18$

(*a*) 'অভিজ্ঞান শকুন্তলম্' নাটকৰ ষষ্ঠ অংকৰ আপোনাৰ পাঠ্যাংশৰ মাজেদি সেই সময়ৰ সামাজিক আৰু ৰাজনৈতিক ব্যৱস্থাৰ চিত্ৰ কেনেদৰে প্ৰতিফলিত হৈছে আলোচনা কৰক ।

(*b*) কাৰক বুলিলে কি বুজে ? সংস্কৃত ভাষাত কাৰকৰ সংখ্যা কিমান ? পালি–প্ৰাকৃতত সংস্কৃত কাৰকৰ কেনে ধৰণৰ পৰিবৰ্তন সাধিত হৈছে বিচাৰ কৰক ।

(*c*) ভাৰতীয় দূত কাব্যৰ পৰম্পৰাত 'সন্দেশ ৰাসকৰ স্থান'– এই শিতানত এটি আলচ যুগুত কৰক ।

(*d*) সংস্কৃতত গৌণধাতু কেনেদৰে গঠিত হয় ? পালি–প্ৰাকৃতত সংস্কৃতৰ আটাইবোৰ গৌণধাতু ৰক্ষিত হৈছেনে ? উদাহৰণ দি আলোচনা কৰক ।

4. তলৰ যিকোনো *চাৰিটা* প্ৰশ্নৰ উত্তৰ লিখক (প্ৰতিটো প্ৰায় ৪০০ শব্দৰ ভিতৰত) ঃ
$10 \times 4 = 40$

(*a*) পণ্ডিতসকলে অশোকৰ অনুশাসনৰ ভাষাক কি কি প্ৰাকৃতত ভাগ কৰিছে ? উদাহৰণসহ প্ৰতিটো প্ৰাকৃতৰ পৰিচয় দিয়ক ।

(*b*) পালিভাষাৰ উৎপত্তি আৰু বৈশিষ্ট্য সম্পৰ্কে বহলাই আলোচনা কৰক ।

(*c*) সন্ধি কাক বোলে ? সংস্কৃতত সন্ধি কেই প্ৰকাৰৰ ? সংস্কৃত আৰু পালি–প্ৰাকৃত সন্ধিৰ বৈশিষ্ট্যসমূহ ফঁহিয়াই আলোচনা কৰক ।

(*d*) সংস্কৃতৰ শব্দৰূপক কেইটা শ্ৰেণীত ভাগ কৰা হৈছে ? পালি–প্ৰাকৃতত শব্দৰূপৰ তেনে ভাগ পোৱা যায়নে ? বিশ্লেষণ কৰি দেখুৱাওক ।

(*e*) সংস্কৃতত তুমুনন্ত ক্ৰিয়াপদ কেনেদৰে গঠিত হয় ? সংস্কৃতৰ তুমুনন্ত ক্ৰিয়াপদ সমূহ পালি–প্ৰাকৃতত কেনেদৰে পৰিৱৰ্তিত হৈছে, বুজাই লিখক ।

85 (DAD3)

[MAS-12 (Lit/Lan)]

(ধ্বনিতত্ত্ব আৰু অসমীয়া ধ্বনিতত্ত্ব)

1. তলৰ যিকোনো *পাঁচটা* প্ৰশ্নৰ উত্তৰ লিখক (প্ৰতিটো প্ৰায় ৫০ টা শব্দৰ ভিতৰত) ঃ $2 \times 5 = 10$

(a) ভাষাৰ ক্ষুদ্ৰতম একক কি ? ইংৰাজী 'sound' ৰ সমাৰ্থক কি শব্দ ভাষাবিজ্ঞানত ব্যৱহাৰ কৰা হয় ?

(b) অসমীয়া ভাষাৰ অৰ্দ্ধস্বৰ কেইটা আৰু কি কি ?

(c) স্বৰ সংযুতি কি ? অসমীয়া ভাষাৰ পৰা এটা উদাহৰণ দিয়ক ?

(d) শ্বাসাঘাতে অসমীয়া ভাষাত অৰ্থৰ তাৰতম্য ঘটাব পাৰেনে ? উদাহৰণ আগবঢ়াওক ।

(e) উড়িয়া ভাষা আৰু বঙলা ভাষা কোনটো অপভ্ৰংশৰ পৰা উদ্ভৱ হৈছে ?

(f) বঙলা ভাষাত দ্বিস্বৰ আছেনে ? দুটা উদাহৰণ আগবঢ়াওক ।

2. তলৰ যিকোনো *তিনিটা* প্ৰশ্নৰ উত্তৰ লিখক (প্ৰতিটো প্ৰায় ১৫০ টা শব্দৰ ভিতৰত) ঃ $4 \times 3 = 12$

(a) সঘোষ আৰু অঘোষ ধ্বনি কাক বোলে উদাহৰণসহ লিখক ।

(b) ধ্বনিবিজ্ঞান, বিশিষ্ট ধ্বনিবিজ্ঞান আৰু ধ্বনিতত্ত্ব কাক বোলে ?

(c) অসমীয়া ভাষাৰ স্বৰধ্বনি সমূহৰ শ্ৰেণীবিভাগ কৰি তালিকা যুগুত কৰক ।

(d) বঙলা ভাষাৰ বিশিষ্ট স্বৰধ্বনিসমূহৰ আদ্য প্ৰয়োগৰ একোটাকৈ উদাহৰণ দাঙি ধৰক ।

3. তলৰ যিকোনো *তিনিটা* প্ৰশ্নৰ উত্তৰ লিখক (প্ৰতিটো প্ৰায় ২০০ টা শব্দৰ ভিতৰত) ঃ $6 \times 3 = 18$

(*a*) পৰিপূৰক প্ৰয়োগ বুলিলে কি বুজে ? বিশিষ্ট ধ্বনি আৰু উপধ্বনি কেনেকৈ নিৰ্ণয় কৰা হয় ?

(*b*) অসমীয়া ভাষাৰ বিশিষ্ট ব্যঞ্জনধ্বনি সমূহৰ আদ্য–মধ্য–অন্ত্য প্ৰয়োগ দেখুৱাই বিৰোধ বিচাৰ কৰক ।

(*c*) প্ৰাচীন ভাৰতীয় আৰ্যভাষাৰ অন্ত্য স্বৰধ্বনিসমূহ অসমীয়ালৈ আহোতে কেনেদৰে কি কি নিয়মেৰে পৰিৱৰ্তন হৈছে উদাহৰণসহ দেখুৱাওক ।

(*d*) বঙলা ভাষাৰ বিশিষ্ট ব্যঞ্জনসমূহৰ উচ্চাৰণৰ বৈশিষ্ট্য লিখক ।

4. তলৰ যিকোনো *চাৰিটা* প্ৰশ্নৰ উত্তৰ লিখক (প্ৰতিটো প্ৰায় ৪০০ টা শব্দৰ ভিতৰত) ঃ $10 \times 4 = 40$

(*a*) ব্যঞ্জনধ্বনিক উচ্চাৰণৰ স্থান আৰু ধৰণ অনুযায়ী কেনেদৰে শ্ৰেণীবিভাগ কৰিব পাৰি আলোচনা কৰক ।

(*b*) অসমীয়া ভাষাৰ ব্যঞ্জন সংযুতি সম্পৰ্কে বহলাই লিখক ।

(*c*) অসমীয়া স্বৰধ্বনিৰ ক্ৰমবিকাশত শ্বাসাঘাতৰ প্ৰভাৱ সম্পৰ্কে আলোচনা আগবঢ়াওক ।

(*d*) অসমীয়া ভাষাৰ ফ, ভ, ত, ধ, ক, ন, স, হ, জ, ল– এই ধ্বনিকেইটাৰ উচ্চাৰণৰ বৈশিষ্ট্যসমূহ লিখক ।

(*e*) অসমীয়া বঙলা আৰু উড়িয়া ভাষাৰ ভাষাতাত্ত্বিক পাৰ্থক্য আৰু সমধৰ্মী বৈশিষ্ট্যসমূহৰ বিষয়ে বহলাই লিখক ।